পঞ্চম খণ্ড

# দৰ্শন

## (ইয়াৰ লগত বিজ্ঞানৰ সম্বন্ধ, জ্ঞানবিদ্যা, অধিবিদ্যা আৰু প্ৰমূল্যবিজ্ঞান)

### 5.1 ভূমিকা ঃ

দৰ্শনক ইংৰাজীত philosophy বোলে। এই philosophy শব্দটো দুটা গ্ৰীক শব্দৰ পৰা উদ্ভৱ হৈছে। ইয়াৰে এটা হ'ল 'Philos' আৰু আনটো হ'ল 'Sophia'। 'Philos' শব্দৰ অৰ্থ প্ৰীতি বা অনুৰাগ আৰু 'Sophia' শব্দৰ অৰ্থ হ'ল জ্ঞান। গতিকে philosophy শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ হ'ল 'জ্ঞানৰ প্ৰতি অনুৰাগ'। গতিকে যি বিষয়ে জ্ঞান অন্বেষণ কৰা হয় সিয়েই দৰ্শন। অৱশ্যে দৰ্শনৰ জ্ঞান অন্বেষণৰ বিষয়বস্তু আছে। জগত আৰু জীৱনৰ প্ৰকৃত স্বৰূপ অন্বেষণ কৰাই দৰ্শনৰ উদ্দেশ্য।

সাধাৰণতে, ইন্দ্ৰিয় প্ৰত্যক্ষৰ জৰিয়তে লাভ কৰা জগতখনৰ অন্তৰালত থকা পৰমসত্তাৰ স্বৰূপৰ অনুসন্ধান কৰি জগত আৰু জীৱনৰ যুক্তিনিষ্ঠ বিচাৰ-বিশ্লেষণ আৰু ইয়াৰ মূল্য নিৰ্ধাৰণ কৰা ব্যাখ্যাকে দৰ্শন বোলা হয়। সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডই দৰ্শনৰ আলোচ্য বিষয়। দাৰ্শনিকসকলে জগতৰ সকলো বস্তুৰে দুটা দিশ থকা বুলি ভাবে। এই দুটা দিশৰ এটা হ'ল বস্তুৰ বাহ্যৰূপ আৰু আনটো হ'ল বস্তুৰ অন্তৰ্নিহিত স্বৰূপ। চকু, কাণ, নাক, জিভা, ছাল আদি ইন্দ্ৰিয় প্ৰত্যক্ষৰ জৰিয়তে জগতৰ বস্তুসমূহৰ বিষয়ে যি অভিজ্ঞতা হয় সেয়ে বস্তু বা জগতৰ বাহ্যিক ৰূপ। এই বাহ্যিক ৰূপটোকে জগতৰ অৱভাস বা প্ৰতিভাস বোলা হয়। আকৌ, জগতৰ এই বাহ্যিক ৰূপৰ অন্তৰালত এক নিজস্বৰূপ বা স্বৰূপ আছে; যাক সত্তা বোলা হয়। সত্তাৰ জ্ঞান ইন্দ্ৰিয় প্ৰত্যক্ষ বা অভিজ্ঞতাৰ দ্বাৰা পাব নোৱাৰি। সত্তাৰ জ্ঞান বিচাৰ-বুদ্ধি আৰু আন্তঃ অনুভূতিৰ দ্বাৰাহে পাব পাৰি। সেয়ে সত্তা বুদ্ধিগ্ৰাহ্য।

জগতৰ যি প্ৰকাশ্যৰূপ, যাক জগতৰ বাহ্যিক ৰূপ বা অৱভাস বুলি কোৱা হয় তাৰ জ্ঞান দিয়ে বিজ্ঞানে। বিজ্ঞানে জগতৰ এই প্ৰকাশ্য বা বাহ্যিক ৰূপৰ সুসংবদ্ধ, যথাৰ্থ সাৰ্বিক জ্ঞান দিবলৈ বিশ্বজগতখনক কেইবাটাও ভাগত বিভক্ত কৰি আলোচনা কৰে। কোনো এক বিশেষ বিজ্ঞানে নিৰ্দিষ্ট কোনো এক বিষয় লৈহে আলোচনা কৰে। বিজ্ঞানে বিশ্বজগতক বিভিন্ন ভাগত ভাগ কৰি আলোচনা কৰা বিভাগসমূহ হ'ল যেনে— জড়বিজ্ঞান, জীৱবিজ্ঞান, সামাজিক বিজ্ঞান আৰু চিন্তাৰ আকাৰগত বিজ্ঞান আদি।

জড় বিজ্ঞানৰ অন্তৰ্গত পদাৰ্থ বিজ্ঞানে পদাৰ্থৰ বিষয়ে, ৰসায়ন বিজ্ঞানে বিভিন্ন পদাৰ্থৰ সংযোগত

ঘটা ৰাসায়নিক প্ৰক্ৰিয়া সম্বন্ধে, ভূ-তত্ব বিজ্ঞানে ভূগৰ্ভ সম্বন্ধে নাইবা জ্যোতিৰ্বিজ্ঞানে আকাশমাৰ্গ সম্পৰ্কে আলোচনা কৰে।

জীৱ বিজ্ঞানৰ অন্তৰ্গত হ'ল উদ্ভিদ বিজ্ঞান আৰু প্ৰাণীবিজ্ঞান। উদ্ভিদ বিজ্ঞানে বিভিন্ন শ্ৰেণীৰ উদ্ভিদ সম্পৰ্কে আৰু প্ৰাণী বিজ্ঞানে প্ৰাণী সম্বন্ধে সম্যক জ্ঞান দিয়ে।

সামাজিক বিজ্ঞানৰ অন্তৰ্গত ৰাজনীতি বিজ্ঞান, মনোবিজ্ঞান, অৰ্থনীতি বিজ্ঞান, নীতিবিজ্ঞান, শিক্ষা বিজ্ঞান ইত্যাদিয়ে বিভিন্ন সামাজিক দিশৰ বিষয়ে আলোচনা কৰে।

আকৌ, তৰ্কবিজ্ঞান, গণিত, জ্যামিতি আদি চিন্তাৰ আকাৰ সম্বন্ধীয় বিজ্ঞান। জগতৰ বস্তুবোৰৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিবলৈ চিন্তাৰ কি আকাৰৰ জৰিয়তে এইবোৰৰ বিষয়ে জ্ঞান পাব পাৰি— এই সম্বন্ধে চিন্তাৰ আকাৰ সম্বন্ধীয় বিজ্ঞানত আলোচনা কৰা হয়।

এনেদৰে প্ৰকাশ্য মান প্ৰকৃতি জগতৰ যিকোনো এটা বিষয় বা বিভাগ সম্পৰ্কে সুনিশ্চিত যথাৰ্থ জ্ঞান দিয়াই বিজ্ঞানৰ উদ্দেশ্য। বৈজ্ঞানিক জ্ঞান সাৰ্বিক আৰু প্ৰমাণ্য স্বভাৱৰ জ্ঞান।

## 5.2 দৰ্শন আৰু বিজ্ঞান ঃ

দৰ্শন আৰু বিজ্ঞানৰ সম্বন্ধৰ বিষয়ে জানিবলৈ হ'লে উভয়ৰ মাজত কি কি বিষয়ত সাদৃশ্য, কি কি বিষয়ত পাৰ্থক্য আছে নাইবা উভয়ৰ মাজত কিবা পাৰস্পৰিক সম্পৰ্ক আছে নেকি— এই আটাইকেইটা দিশ আলোচনা কৰিব লাগিব।

**সাদৃশ্য ঃ**

1. দৰ্শন আৰু বিজ্ঞান দুয়োৰে উদ্দেশ্য একে। অভিজ্ঞতালব্ধ জগতখনৰ ব্যাখ্যা দিবলৈ উভয়ে কৰা চেষ্টাৰ ফলতে দৰ্শন আৰু বিজ্ঞানৰ উৎপত্তি। দৰ্শন আৰু বিজ্ঞান উভয়ে বিচাৰ-বিশ্লেষণৰ দ্বাৰা অভিজ্ঞতালব্ধ জগতৰ বিভিন্ন ঘটনাৱলীৰ মাজত সমন্বয় সাধন কৰি জগতৰ এক সামগ্ৰিক ব্যাখ্যা দিবলৈ বিচাৰে। গতিকে জ্ঞানৰ অন্বেষণ বা সত্য অন্বেষণেই দৰ্শন আৰু বিজ্ঞান উভয়ৰে মূল উদ্দেশ্য।
2. কোনো এটা বিষয়ৰ জ্ঞান অন্বেষণ কৰোতে দৰ্শন আৰু বিজ্ঞান উভয়ে সুশৃংখল, সুসংবদ্ধভাৱে বিষয়টো অধ্যয়ন কৰে।
3. কোনো এটা বিষয়ৰ সিদ্ধান্তৰ সত্যতা বিচাৰ কৰিবলৈ দৰ্শন আৰু বিজ্ঞান উভয়েই যুক্তিৰ ওপৰত নিৰ্ভৰশীল।

**পাৰ্থক্য ঃ**

দৰ্শন আৰু বিজ্ঞানৰ জ্ঞান অন্বেষণৰ উদ্দেশ্যৰ ফালৰ পৰা দুয়ো একে হ'লেও জ্ঞান আহৰণৰ পদ্ধতি, আলোচ্য বিষয়ৰ পৰিসৰ আৰু অন্যান্য বহুতো ক্ষেত্ৰত দুয়োৰে মাজত পাৰ্থক্য থকা দেখা যায়। যেনে—

1. আলোচ্য বিষয়বস্তুৰ ফালৰ পৰা বিচাৰ কৰিলে দেখা যায় যে দৰ্শনৰ পৰিসৰ বিজ্ঞানৰ তুলনাত অতি ব্যাপক। দৰ্শনে সমগ্ৰ বিশ্ব জগতৰ সামগ্ৰিক ব্যাখ্যা দিয়ে। জগতৰ এনে কোনো বস্তু নাই, যাৰ বিষয়ে দৰ্শনে আলোচনা নকৰে। মূৰ্ত বা অমূৰ্ত অৰ্থাৎ ইন্দ্ৰিয় গ্ৰাহ্য আৰু অতীন্দ্ৰিয় যি বুদ্ধি গ্ৰাহ্য এই সকলো বিষয়েই দৰ্শনৰ আলোচ্য বিষয়ৰ অন্তৰ্গত। কিন্তু বিজ্ঞানে

অভিজ্ঞতালব্ধ জগতখনক বিভিন্ন ভাগত ভাগ কৰি লৈ একো একোটা বিভাগৰ বিষয়েহে জ্ঞান দিয়ে। যেনে— উদ্ভিদ বিজ্ঞানে উদ্ভিদৰ বিষয়ে, প্ৰাণী বিজ্ঞানে প্ৰাণীৰ বিষয়ে নাইবা পদাৰ্থ বিজ্ঞানে পদাৰ্থৰ বিষয়ে সুকীয়াকৈ জ্ঞান দিয়ে। বিজ্ঞানৰ উদ্দেশ্যই হ'ল বিশ্ব জগতৰ বিভিন্ন অংশ বা বিভাগৰ অন্তৰ্গত বস্তুসমূহৰ সুকীয়া সুকীয়াকৈ ব্যাখ্যা দিয়া। গতিকে বৈজ্ঞানিক জ্ঞান খণ্ড বা আংশিক জ্ঞান। কিন্তু দৰ্শনে সামগ্ৰিকভাৱে জগতৰ ব্যাখ্যা দিয়ে বাবে দাৰ্শনিক জ্ঞান সামগ্ৰিক জ্ঞান। এই কাৰণেই দৰ্শনৰ পৰিসৰ ব্যাপক বা অসীম; কিন্তু বিজ্ঞানৰ পৰিসৰ ঠেক বা সীমিত।

2. বিজ্ঞানে জগতৰ বস্তুসমূহৰ কেৱল বাহ্যিক ৰূপৰহে জ্ঞান দিয়ে; কিন্তু দৰ্শনে জগতৰ বাহ্যিক ৰূপ আৰু ইয়াৰ অন্তৰ্নিহিত স্বৰূপ অৰ্থাৎ সত্তাৰ বিষয়েও জ্ঞান দিয়ে। বিজ্ঞানৰ জৰিয়তে প্ৰকৃতি জগতৰ কোনো এটা বিষয়ৰ অভিজ্ঞতাৰে লাভ কৰা অৱভাসিক ৰূপটোৰ বিষয়ে আমি জানিব পাৰো। কিন্তু দৰ্শনে অভিজ্ঞতাৰে লাভ কৰা জগতখনৰ অৱভাসিক ৰূপৰ জ্ঞানৰ ওপৰত ভিত্তি কৰি ইয়াৰ অন্তৰালত থকা পৰমসত্তাৰ স্বৰূপ জানিবলৈ আগবাঢ়ে।

3. দৰ্শন আৰু বিজ্ঞান দুয়োৰে জ্ঞান লাভৰ পদ্ধতিও বেলেগ বেলেগ। বিজ্ঞানে প্ৰকৃতি জগতৰ কোনো এটা বিষয়ৰ সুনিশ্চিত যথাৰ্থ সাৰ্বিক জ্ঞান লাভৰ বাবে নিৰীক্ষণ, পৰীক্ষণ আৰু আগমন পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰে। অভিজ্ঞতাভিত্তিক, অধিকাল্পনিক আগমন আৰু নিগমন দাৰ্শনিক জ্ঞান লাভৰ পদ্ধতি। দৰ্শনে জগতৰ অৱভাস সম্বন্ধে জ্ঞান লাভৰ বাবে বিজ্ঞানৰ পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰে। দৰ্শনে যিহেতু বস্তুৰ অৱভাসৰ উপৰিও বস্তুৰ সত্তা সম্বন্ধেও জ্ঞান প্ৰদান কৰে; সেয়ে এই সত্তাৰ জ্ঞান পাবলৈ বিচাৰ-বুদ্ধিৰ সহায় লয়। কাৰণ বস্তুৰ সত্তাৰ জ্ঞান নিৰীক্ষণ, পৰীক্ষণ বা অভিজ্ঞতাৰ দ্বাৰা পাব নোৱাৰি। ইয়াক পাব পাৰি যুক্তি বিচাৰৰ দ্বাৰা। আকৌ, দৰ্শনৰ আলোচ্য বিষয় ঈশ্বৰ, আত্মা, পৰমাত্মা আদিৰ জ্ঞান পাবলৈ যুক্তি বিচাৰৰ উপৰিও অতীন্দ্ৰিয় প্ৰত্যক্ষ আৰু আন্তঃপ্ৰজ্ঞা বা স্বজ্ঞাৰ সহায় ল'ব লগা হয়। বিজ্ঞানে নিৰীক্ষণ আৰু পৰীক্ষণৰ জৰিয়তে সিদ্ধান্তত উপনীত হয় বাবে সাধাৰণতে বিজ্ঞানলব্ধ সিদ্ধান্ত সঁচা বুলি প্ৰমাণিত হয়। এনেদৰে আগমন পদ্ধতিৰ দ্বাৰা বিজ্ঞানে যিবোৰ সিদ্ধান্ত গ্ৰহণ কৰে, দৰ্শনে নিগমন পদ্ধতিৰ দ্বাৰা সেই সিদ্ধান্তবোৰৰ যথাৰ্থতা বিচাৰ কৰে। গতিকে দৰ্শনৰ পদ্ধতি হ'ল আগমন আৰু নিগমন উভয় পদ্ধতিয়েই।

4. বিজ্ঞানৰ অধ্যয়ন বিশ্লেষণাত্মক অধ্যয়ন; কিন্তু দৰ্শনৰ অধ্যয়ন সংশ্লেষণাত্মক অধ্যয়ন। দৰ্শনে বিজ্ঞানৰ অভিজ্ঞতালব্ধ সিদ্ধান্তসমূহৰ একত্ৰীকৰণ কৰিয়েই ক্ষান্ত নাথাকে। দৰ্শনে যুক্তি আৰু অন্তৰ্দৃষ্টিৰ সহায়ত বিজ্ঞানলব্ধ তথ্যবোৰৰ সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰে আৰু এই তথ্যবোৰৰ মাজত সমন্বয় সাধন কৰি তাৰ মূল সত্য অন্বেষণ কৰিবলৈ চেষ্টা কৰে। সেয়ে

বিজ্ঞানৰ অধ্যয়ন সংশ্লেষণাত্মক।

5. বিজ্ঞানে জগতৰ কোনো এটা বিষয়ৰ জ্ঞান অন্বেষণ কৰোতে কিছুমান বিধি বা নিয়ম আৰু জ্ঞানৰ অপৰিহাৰ্য প্ৰত্যয়ক বিনা বিচাৰে স্বতঃসিদ্ধ বুলি স্বীকাৰ কৰি লয়। উদাহৰণ স্বৰূপে প্ৰকৃতিৰ একৰূপতা বিধি, দেশ, কাল, দ্ৰব্য, কাৰ্যকাৰণ সম্বন্ধ নিয়ম আদি তথ্যবোৰ বিজ্ঞানে কোনো বিচাৰ নকৰাকৈ স্বীকাৰ কৰে। কিন্তু দৰ্শনে এই তথ্যবোৰৰ সত্যাসত্য বিচাৰ নকৰাকৈ বিনা বিচাৰে স্বীকাৰ নকৰে; বৰং বিজ্ঞানৰ স্বতঃসিদ্ধ সত্য বা বিনা বিচাৰে স্বীকৃত নীতিবোৰৰ বিচাৰমূলক পৰীক্ষাৰ দ্বাৰা যুক্তিপূৰ্ণ বিশ্লেষণাত্মক পদ্ধতিৰে বৈধতা নিৰ্ণয়ৰ চেষ্টা কৰে।

6. বিজ্ঞানে জগতৰ কোনো বস্তু বা ঘটনাৰ সাৰ্বিক ব্যাখ্যা দিওতে বস্তু বা ঘটনাৰ কোনো মূল্য নিৰূপণ নকৰে; কিন্তু দৰ্শনে জগতৰ সামগ্ৰিক ব্যাখ্যা দিয়াৰ উপৰিও তাৰ মূল্য নিৰূপণো কৰে। কাৰণ দৰ্শনৰ মূল উদ্দেশ্যই হ'ল জগতৰ সম্পূৰ্ণ সাৰ্বিক ব্যাখ্যা দিয়া আৰু ইয়াৰ মূল্যায়ন কৰা।

7. বাস্তৱ অভিজ্ঞতাভিত্তিক নিৰীক্ষণ আৰু পৰীক্ষণৰ জৰিয়তে বিজ্ঞানে কোনো এটা বিষয়ৰ এক প্ৰামাণিক সাৰ্বিক সিদ্ধান্ত প্ৰদান কৰে। সেয়ে বিজ্ঞানৰ সিদ্ধান্ত সৰ্বজনগৃহীত হোৱা দেখা যায়। কিন্তু দাৰ্শনিক জ্ঞান যুক্তি, অনুভূতি আৰু স্বজ্ঞাৰ ওপৰত নিৰ্ভৰশীল হোৱা বাবে দাৰ্শনিক মতবাদসমূহ ব্যক্তিগত হোৱা দেখা যায়। দাৰ্শনিকৰ মতবাদসমূহ তেওঁলোকৰ ব্যক্তিগত যুক্তি-বিচাৰ আৰু অন্তৰ উপলব্ধিৰ পৰা উৎপত্তি হয়। ফলত দাৰ্শনিক মতবাদসমূহ সৰ্বজনগ্ৰাহ্য নহ'বও পাৰে।

এনেদৰে দৰ্শন আৰু বিজ্ঞানৰ মাজত কোনো কোনো ক্ষেত্ৰত পাৰ্থক্য থাকিলেও উভয়ে উভয়ৰ ওপৰত নিৰ্ভৰশীল। আচলতে দৰ্শন আৰু বিজ্ঞানৰ মাজৰ সম্পৰ্ক এক পাৰস্পৰিক সম্পৰ্কহে। দৰ্শনে জগত আৰু জীৱনৰ সামগ্ৰিক পূৰ্ণ জ্ঞান দিবলৈ প্ৰয়াস কৰে। এনে সম্পূৰ্ণ জ্ঞান দিবলৈ দৰ্শনে প্ৰাৰম্ভিক অৱস্থাত বিজ্ঞানৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। কাৰণ বিজ্ঞানে প্ৰকৃতি জগতৰ প্ৰতিটো বিভাগ সম্পৰ্কে নিৰীক্ষণ-পৰীক্ষণৰ জৰিয়তে সুশৃংখলভাৱে বিচাৰ-বিশ্লেষণ কৰি এক সুনিশ্চিত সাৰ্বিক সিদ্ধান্ত দিয়ে। বিজ্ঞানে প্ৰকৃতি জগতৰ বিভিন্ন বিভাগ সম্বন্ধে দিয়া এই সাৰ্বিক সিদ্ধান্তকে তথ্য বা সমল হিচাপে লৈ দৰ্শনে জগত আৰু জীৱন সম্বন্ধে সামগ্ৰিক ব্যাখ্যা দিয়ে। সেয়েহে উপাদান বা তথ্য-পাতিৰ বাবে দৰ্শন বিজ্ঞানৰ ওপৰত নিৰ্ভৰশীল। এই বাবেই বিজ্ঞানক দৰ্শনৰ প্ৰথম ভেটি বুলি কোৱা হয়। বিজ্ঞানৰ সিদ্ধান্তবোৰৰ জৰিয়তেই দাৰ্শনিক জ্ঞান অন্বেষণ আৰম্ভ হয়।

দৰ্শন যেনেদৰে বিজ্ঞানৰ ওপৰত নিৰ্ভৰশীল, ঠিক সেইদৰে বিজ্ঞানো দৰ্শনৰ ওপৰত নিৰ্ভৰশীল। কিয়নো দৰ্শনে বিজ্ঞানৰ স্বীকাৰ্য সত্যবোৰৰ ব্যাখ্যা দিয়ে। দেশ, কাল, দ্ৰব্য, কাৰ্যকাৰণ সম্বন্ধ আদি তথ্য বা ধাৰণাবোৰ বিজ্ঞানে কোনো বিচাৰ নকৰাকৈ স্বতঃসিদ্ধ বুলি স্বীকাৰ কৰি লয়। দৰ্শনে

বিজ্ঞানে স্বীকাৰ কৰি লোৱা স্বতঃসিদ্ধ সত্যসমূহৰ যথাৰ্থতাও বিচাৰ কৰে। সেয়ে বিজ্ঞান দৰ্শনৰ ওপৰত নিৰ্ভৰশীল।

বিজ্ঞানৰ দৃষ্টিভংগী আংশিক অৰ্থাৎ জগতৰ যিকোনো এটা বিভাগ সম্পৰ্কেহে জ্ঞান দিব পাৰে; সমগ্ৰ জগত সম্পৰ্কে সামগ্ৰিক জ্ঞান দিব নোৱাৰে। অৰ্থাৎ বিজ্ঞানৰ জ্ঞান প্ৰতিভাসিক জগতৰহে জ্ঞান। কিন্তু প্ৰতিভাসিক জগতৰ এই জ্ঞানেই জগতৰ সম্পূৰ্ণ জ্ঞান হ'ব নোৱাৰে। এই প্ৰতিভাসিক জগতৰ অন্তৰালত আন এক প্ৰকৃত জগত বা সত্য আছে যাক পৰমসত্তা বোলা হয়। এই সত্য বা পৰমসত্তাৰ ৰহস্য উদ্ঘাটন কৰে দৰ্শনে। দৰ্শনে বিজ্ঞানে দিয়া প্ৰতিভাসিক জগতৰ জ্ঞানৰ ওপৰত ভিত্তি কৰিয়েই জগতৰ মূলতত্ব অৰ্থাৎ পৰমসত্তাৰ জ্ঞান দিবলৈ চেষ্টা চলায়। সেয়ে কোৱা হয়— 'য'তেই বিজ্ঞানৰ সমাপ্তি হয়, তাৰ পৰাই দৰ্শনৰ আৰম্ভণি'। অৰ্থাৎ জগত আৰু জীৱনৰ পূৰ্ণ জ্ঞান লাভৰ বাবে বিজ্ঞান আৰু দৰ্শন পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। অধ্যাপক ওৱেবাৰে বিজ্ঞান আৰু দৰ্শনৰ সম্বন্ধক দেহ আৰু আত্মাৰ সম্বন্ধৰ লগত তুলনা কৰিছে। যেনেকৈ দেহৰ অবিহনে আত্মাৰ অস্তিত্ব নাইবা আত্মাৰ অবিহনে দেহৰ অস্তিত্বৰ কথা ভাবিবই নোৱাৰি; ঠিক তেনেকৈ বিজ্ঞান অবিহনে দৰ্শন আৰু দৰ্শন অবিহনে বিজ্ঞান আধৰুৱা আৰু অসম্পূৰ্ণ বুলি অভিহিত কৰিছে। গতিকে উভয়ে উভয়ৰ অভাৱ পূৰণ কৰে আৰু জগত আৰু জীৱনৰ সম্পূৰ্ণ জ্ঞান লাভৰ বাবে উভয়ে উভয়ক সহায় কৰে।

## 5.3 দৰ্শনৰ পৰিসৰ আৰু প্ৰধান শাখাসমূহ (Scope and Branches of Philosophy) ঃ

দৰ্শনৰ পৰিসৰ বুলিলে দৰ্শনৰ অধ্যয়ন ক্ষেত্ৰত সন্নিৱিষ্ট বিষয়সমূহকে বুজাব।

জগত আৰু জীৱনৰ সামগ্ৰিক আলোচনা, ব্যাখ্যা আৰু মূল্য অৱধাৰণ কৰাই দৰ্শনৰ কাম। সেই কাৰণে এইফালৰ পৰা ক'ব পাৰি দৰ্শনৰ পৰিসৰ অতি ব্যাপক। জ্ঞানৰ এনে কোনো বিষয় নাই যি দৰ্শনৰ অন্তৰ্ভুক্ত নহয়। সমগ্ৰ বিশ্বই দৰ্শনৰ আলোচনাৰ বিষয়। ড° জন কেয়াৰ্ডে কোৱাৰ দৰে, 'মানুহৰ অভিজ্ঞতাৰ এনে কোনো দিক বা সীমা নাই, সমগ্ৰ অস্তিত্বৰ এনে কোনো অংশ নাই, যি দৰ্শনৰ পৰিসৰৰ অন্তৰ্ভুক্ত নহয়।

দৰ্শনৰ কোনো নিৰ্দিষ্ট আলোচ্য বিষয় নাই। সমগ্ৰ বিশ্বই দৰ্শনৰ আলোচনাৰ ক্ষেত্ৰ। দৰ্শনৰ এনে বহল পৰিসৰক সামৰিব পৰাকৈ দৰ্শনক কেইটামান শাখাত ভাগ কৰা হৈছে। সেইকেইটা হ'ল—

(i) জ্ঞানবিদ্যা বা জ্ঞানমীমাংসা (Epistemology)
(ii) অধিবিদ্যা (Metaphysics)
(iii) প্ৰমূল্যবিদ্যা (Axiology)

### (i) জ্ঞানবিদ্যা বা জ্ঞানমীমাংসা ঃ

জ্ঞানবিদ্যা দৰ্শনৰ এটা প্ৰধান শাখা। ইংৰাজীত জ্ঞানবিদ্যাক Epistemology বোলা হয়। এই Epistemology শব্দটো গ্ৰীক 'Episteme' আৰু 'Logos' শব্দ দুটাৰ পৰা উৎপত্তি হৈছে। 'Episteme' শব্দৰ অৰ্থ জ্ঞান আৰু 'Logos'

শব্দৰ অৰ্থ বিদ্যা বা বিজ্ঞান। গতিকে 'Epistemology' শব্দৰ ব্যুৎপত্তিগত অৰ্থ হৈছে জ্ঞানবিদ্যা বা জ্ঞানবিজ্ঞান অৰ্থাৎ জ্ঞান সম্পৰ্কীয় বিজ্ঞানসন্মত আলোচনা। দৰ্শনৰ যিটো বিভাগে জ্ঞানৰ প্ৰকৃতি, উৎস বা উৎপত্তি, সীমা, সম্ভাৱনা ইত্যাদি জ্ঞানৰ অন্তৰ্গত বিভিন্ন বিষয়ৰ বিজ্ঞানসন্মতভাৱে আলোচনা কৰে তাকে জ্ঞানবিদ্যা বা জ্ঞানমীমাংসা বোলে। জ্ঞানবিদ্যাত আলোচনা কৰা গুৰুত্বপূৰ্ণ প্ৰশ্নবোৰ হ'ল— জ্ঞান কি? জ্ঞানৰ উৎপত্তি কিভাৱে হয়? যথাৰ্থ জ্ঞান প্ৰকৃততে সম্ভৱনে? যদি সম্ভৱ তেনেহ'লে ইয়াৰ সীমা কি? জ্ঞানৰ বৈধতাই বা কেনেকৈ নিৰ্ণীত হয়?— আদি জ্ঞান সম্পৰ্কীয় জটিল বিষয়বোৰৰ বিস্তৃত আৰু বিজ্ঞানসন্মত আলোচনাই জ্ঞানবিদ্যাৰ আলোচ্য বিষয়।

পাশ্চাত্য দৰ্শনৰ ইতিহাসত দেখা যায় যে গ্ৰীক দাৰ্শনিক ছক্ৰেটিছৰ পূৰ্বৰ দাৰ্শনিকসকলে জ্ঞানবিদ্যা সম্বন্ধীয় কোনো আলোচনা নকৰাকৈ জগতৰ মূলতত্বৰ অনুসন্ধান কৰিছিল। জগতৰ আদি তত্ত্বৰ জ্ঞান সম্ভৱ হয় নে নহয়, সত্তা বা মূলতত্ব সম্বন্ধে জ্ঞান লাভ কৰিবলৈ মানুহৰ মনৰ ক্ষমতা আছে নে নাই ইত্যাদি প্ৰশ্ন তেওঁলোকৰ মনত উদয় হোৱা নাছিল। তেওঁলোকে ভাবিছিল— জগতৰ মূলতত্ব কি তাক জানিব পাৰিলেই জগতৰ ব্যাখ্যা দিব পৰা যাব। সেয়ে জ্ঞানবিদ্যা সম্বন্ধীয় কোনো আলোচনা নকৰাকৈ তেওঁলোকে জগতৰ মূলতত্ব বা সত্তাৰ অনুসন্ধান কৰিছিল। জ্ঞানবিদ্যাৰ ওপৰত ভিত্তি নকৰাৰ বাবেই এই দাৰ্শনিকসকলৰ মতবাদবোৰৰ মাজত কাৰো লগত কাৰো মিল দেখা নগৈছিল। ফলত জগতৰ মূলতত্ব বা উপাদান সম্পৰ্কে সন্দেহৰ সৃষ্টি হৈ সংশয়বাদ নামৰ এটা মতবাদৰ সৃষ্টি হৈছিল। মুঠৰ ওপৰত, প্ৰাচীন কালৰ পৰা মধ্যযুগলৈ পাশ্চাত্য দৰ্শনত জ্ঞানবিদ্যা সম্পৰ্কীয় বিশেষ আলোচনা কৰা হোৱা নাছিল।

আধুনিক দৰ্শন জ্ঞানবিদ্যাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। ব্ৰিটিছ দাৰ্শনিক জন লক (John Locke)-এ 'An essay concerning human understanding' নামৰ গ্ৰন্থৰ জৰিয়তে সৰ্বপ্ৰথম জ্ঞানবিদ্যা সম্পৰ্কে আলোচনা কৰে আৰু জ্ঞান লাভৰ ক্ষেত্ৰত জ্ঞানবিদ্যাৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰে। জন লকৰ পিছত জাৰ্মান দাৰ্শনিক ইমানুৱেল কাণ্ট ( Immanuel Kant)-এ তেওঁৰ বিখ্যাত গ্ৰন্থ 'Critique of Pure Reason'ৰ জৰিয়তে জ্ঞানবিদ্যা সম্পৰ্কীয় সকলো বিষয়ৰ বিশদ বিশ্লেষণ কৰি দাৰ্শনিক জ্ঞান লাভৰ ক্ষেত্ৰত জ্ঞানবিদ্যা অপৰিহাৰ্য বুলি গণ্য কৰে। কাণ্টৰ মতে সকলো দাৰ্শনিক অনুসন্ধানৰ ভেটি হ'ল জ্ঞানবিদ্যা। সেয়ে কাণ্টে কৈছিল 'দৰ্শন হৈছে জ্ঞান সম্পৰ্কীয় বিজ্ঞান আৰু সমালোচনা'। তেওঁৰ মতে জ্ঞানবিদ্যাৰ সহায় নোলোৱাকৈ দাৰ্শনিক মতবাদক গ্ৰহণযোগ্য বুলি বিবেচনা কৰা নহয়। অৱশ্যে এইটো ঠিক যে দৰ্শন আৰু জ্ঞানবিদ্যা অভিন্ন বুলি ক'ব নোৱাৰি নাইবা দৰ্শনক জ্ঞানবিদ্যাৰ পৰা স্বতন্ত্ৰ বুলিও ক'ব নোৱাৰি। প্ৰকৃততে জ্ঞানবিদ্যা দৰ্শনৰ এক অপৰিহাৰ্য শাখা বা ভাগ।

**(ii) অধিবিদ্যা ঃ**

দৰ্শনৰ যিটো শাখাৰ জৰিয়তে অভিজ্ঞতালব্ধ জগতৰ অন্তৰালত থকা মূলতত্ব বা পৰমসত্তাৰ

যথাৰ্থ স্বৰূপ সম্পৰ্কে জ্ঞান লাভ কৰা যায় তাকে অধিবিদ্যা বোলে। অধিবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Metaphysics'। 'Metaphysics' শব্দটো 'Meta' আৰু 'Physika'— এই দুটা গ্ৰীক শব্দৰ পৰা উদ্ভৱ হৈছে। 'Meta' শব্দৰ অৰ্থ হ'ল পিছত আৰু 'Physika'ৰ অৰ্থ হ'ল পদাৰ্থ বিজ্ঞান। গতিকে ইয়াৰ ব্যুৎপত্তিগত অৰ্থ হ'ল— যি বিজ্ঞানৰ পিছত আহে।

অধিবিদ্যাক তত্ববিদ্যা নামেৰেও জনা যায়। তত্ববিদ্যাৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Ontology'। Ontology শব্দটি 'Onto' আৰু 'Logos' — এই দুটা গ্ৰীক শব্দৰ পৰা উদ্ভৱ হৈছে। 'Onto' শব্দৰ অৰ্থ হ'ল তত্ব বা সত্তা আৰু 'Logos' ৰ অৰ্থ হ'ল বিজ্ঞান। গতিকে Ontology মানে হ'ল সত্তাৰ বিজ্ঞান।

অৱভাস আৰু সত্তাৰ মাজত থকা পাৰ্থক্যৰ যোগেদিয়ে অধিবিদ্যাৰ সূচনা হয়। আমি আমাৰ অভিজ্ঞতাত যিবোৰ বস্তু দেখিছো সেই বস্তুবোৰৰ প্ৰকৃত স্বৰূপ আমি দেখাৰ দৰে নহয়। এডাল পোনপটীয়া কাঠি এগিলাচ পানীত আধাকৈ ডুবালে কাঠিডাল বেঁকা যেন দেখা যায়। এই দৃষ্টান্তটোৰ পৰাই বুজিব পাৰি যে বস্তুৰ অৱভাস আৰু সত্তাৰ মাজত পাৰ্থক্য আছে। এই জগতৰ প্ৰত্যেক বস্তুৰেই দুটা দিশ আছে এটা হৈছে বস্তুৰ ইন্দ্ৰিয়গ্ৰাহ্য বা বাহ্যসত্তা আৰু আনটো হৈছে ইন্দ্ৰিয়াতীত বা অন্তৰসত্তা। আমাৰ অভিজ্ঞতাৰ দ্বাৰা জগতৰ বস্তু সম্বন্ধে যি জ্ঞান হয় সি হ'ল জগতৰ বাহ্যিক ৰূপৰ জ্ঞান। জগতৰ এই বাহ্যিক ৰূপকেই অৱভাস (Appearance) বোলা হয়। ইন্দ্ৰিয়গ্ৰাহ্য সকলো বস্তুৰে বাহ্যিক ৰূপৰ অন্তৰালত এক নিজস্ব ৰূপ বা স্বৰূপ আছে। বস্তুৰ এই ৰূপটোকে তত্ব বা সত্তা বোলা হয়। বস্তুৰ তত্ব বা সত্তাৰ জ্ঞান ইন্দ্ৰিয় অভিজ্ঞতাৰে পাব নোৱাৰি। ইয়াৰ জ্ঞান পাব পাৰি বুদ্ধি বা যুক্তি বিচাৰৰ দ্বাৰাহে। বস্তুৰ ইন্দ্ৰিয়গ্ৰাহ্য ৰূপ পৰিৱৰ্তনশীল। কিন্তু ইন্দ্ৰিয়গ্ৰাহ্য ৰূপৰ অন্তৰালত থকা বস্তুৰ অন্তৰ্নিহিত তত্ব বা সত্তা অপৰিৱৰ্তনশীল।

গতিকে ইন্দ্ৰিয়গ্ৰাহ্য বা অৱভাসৰ অন্তৰালত থকা সত্তাৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰাই অধিবিদ্যাৰ মূল বিষয়বস্তু। অধিবিদ্যাই পৰমসত্তা সম্বন্ধীয় বিভিন্ন বিষয়ৰ বিস্তৃত আলোচনা কৰে। এই দৃশ্যমান জগতৰ অন্তৰালত পৰমসত্তা আছে নে নাই? যদি আছে তেনেহ'লে ইয়াৰ স্বৰূপ কি? দৃশ্যমান জগতৰ লগত ইয়াৰ সম্বন্ধই বা কি? এই পৰমসত্তা এক নে বহু? ইয়াৰ উপৰি অধিবিদ্যাত জগত, জীৱন, মন, ঈশ্বৰ, আত্মা আদিৰ স্বৰূপ জানিবলৈও চেষ্টা কৰা হয়।

এই ক্ষেত্ৰত অধিবিদ্যাক দৰ্শনৰ এটা প্ৰধান অংগ বুলি গণ্য কৰা হয়। গ্ৰীক দাৰ্শনিক প্লেটোৱে দৰ্শন আৰু অধিবিদ্যাক অভিন্ন বুলি কৈছে। তেওঁৰ মতে অভিজ্ঞতালব্ধ জগতখন অতীন্দ্ৰিয় প্ৰকৃত জগতৰ ছাঁয়া বা অনুকৰণ মাত্ৰ, যাৰ কোনো অস্তিত্ব নাই। হেগেলৰ মতেও দৃশ্যমান জগতক অতীন্দ্ৰিয় সত্তাৰ পৰা পৃথক কৰিব নোৱাৰি, কাৰণ দৃশ্যমান জগতৰ জৰিয়তেই অতীন্দ্ৰিয় সত্তাই নিজকে প্ৰকাশ কৰে। তৰ্কীয় প্ৰত্যক্ষবাদীসকলৰ মতে পৰমসত্তাৰ জ্ঞান হিচাপে অধিবিদ্যা সম্ভৱ নহয়। অৰ্থাৎ দৰ্শনৰ পৰিসৰ ইন্দ্ৰিয়গ্ৰাহ্য অধ্যয়নতে

সীমাবদ্ধ বুলি ক'ব পাৰি।

ওপৰৰ আলোচনাৰ পৰা আমি এইটো ক'ব পাৰো যে অধিবিদ্যা প্ৰকৃততে দৰ্শনৰ পৰিসৰৰ পৰা বহিৰ্ভূত নহয়, নাইবা দৰ্শন আৰু অধিবিদ্যা অভিন্নও নহয়। পৰমসত্তাৰ দুটা দিশ হিচাপে অৱভাস আৰু সত্তাৰ অধ্যয়ন দৰ্শনৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

### (iii) প্ৰমূল্যবিজ্ঞান ঃ

জ্ঞানবিদ্যা আৰু অধিবিদ্যাৰ উপৰিও দৰ্শনৰ এটা গুৰুত্বপূৰ্ণ ভাগ হ'ল প্ৰমূল্যবিজ্ঞান বা আদৰ্শবিজ্ঞান। জগত আৰু জীৱনৰ সামগ্ৰিক আলোচনা, ব্যাখ্যা আৰু মূল্য অৱধাৰণ কৰাই দৰ্শনৰ কাম। গতিকে প্ৰমূল্য বিজ্ঞানৰ জৰিয়তে দৰ্শনে জীৱন আৰু জগতৰ মূল্য নিৰূপণ কৰে। সেয়ে দৰ্শনৰ পৰিসৰত আদৰ্শ বা মূল্যও অন্তৰ্ভুক্ত। প্ৰমূল্য বিজ্ঞানে তিনিটা পৰম মূল্যক আদৰ্শ হিচাপে লৈ জীৱন আৰু জগতৰ মূল্যায়ন কৰে। জীৱনৰ এই পৰমমূল্য তিনিটা হ'ল— সত্য (Truth), সুন্দৰ (Beauty) আৰু শিৱ (Goodness)। এই তিনিটা আদৰ্শ বা প্ৰমূল্যক লৈ আমি জগতৰ বস্তু, জ্ঞান আৰু আচৰণৰ মূল্য বিচাৰ কৰো। প্ৰমূল্য বিজ্ঞানে আমাৰ এনে মূল্য বিচাৰ ব্যক্তিগত নে বস্তুগত, মানৱ জীৱনৰ পৰম আদৰ্শ বা মূল্য অৰ্থাৎ সত্য, শিৱ আৰু সুন্দৰৰ তাৎপৰ্য, ইয়াৰ যথাৰ্থতা আৰু পৰমসত্তাৰ লগত এই তিনিটা আদৰ্শৰ সম্বন্ধ কেনেধৰণৰ ইত্যাদি সম্পৰ্কেও আলোচনা কৰে।

প্ৰমূল্য বিজ্ঞান বা আদৰ্শবিজ্ঞানসমূহ হ'ল— তৰ্কবিজ্ঞান, নীতিবিজ্ঞান, সৌন্দৰ্যবিজ্ঞান, ধৰ্মদৰ্শন আদি। তৰ্কবিজ্ঞানে সত্যতা নামৰ প্ৰমূল্য, নীতিবিজ্ঞানে পৰমকল্যাণ বা পৰমশ্ৰেয় নামৰ প্ৰমূল্য, সৌন্দৰ্যবিজ্ঞানে সৌন্দৰ্য নামৰ প্ৰমূল্য আৰু ধৰ্ম দৰ্শনে পৱিত্ৰতা নামৰ প্ৰমূল্যক অধ্যয়ন কৰে। সেয়ে মানৱ জীৱনৰ মূল আদৰ্শ সত্য, শিৱ আৰু সুন্দৰ বুলি কোৱা হয়। জীৱনৰ মূল আদৰ্শ বা প্ৰমূল্য বিভাগটোৱে সত্তাৰ লগত মূল্যৰ কেনে সম্বন্ধ— ই আত্মনিষ্ঠ নে বস্তুনিষ্ঠ আদি বিষয়ে আলোচনা কৰে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে দৰ্শন হৈছে সমগ্ৰ জগত আৰু জীৱনৰ ব্যাখ্যা আৰু মূল্য নিৰূপণ। সেয়েহে দৰ্শনৰ পৰিসৰ অতি ব্যাপক।

## পাঠৰ মূলকথা ঃ

দৰ্শনৰ লগত বিজ্ঞান, জ্ঞানবিদ্যা, অধিবিদ্যা বা তত্ত্ববিদ্যা আৰু প্ৰমূল্যবিজ্ঞানৰ সম্বন্ধৰ বিষয়ে বিচাৰ কৰিলে দেখা যায় যে উক্ত প্ৰতিটো বিষয়ৰ লগতে দৰ্শনৰ এক এৰাব নোৱৰা পাৰস্পৰিক সম্পৰ্ক আছে। আটাইকেইটা বিষয়ৰে মূল উদ্দেশ্য বা লক্ষ্য একে— জগত আৰু জীৱনৰ ব্যাখ্যা আগবঢ়োৱা। এই জগত আৰু জীৱনৰ ব্যাখ্যা দিওঁতে বিজ্ঞানে কিছুমান মূল প্ৰত্যয় বা ধাৰণাক স্বতঃসিদ্ধ হিচাপে স্বীকাৰ কৰি দৃশ্যমান অভিজ্ঞতালব্ধ জগতখনৰ ব্যাখ্যা দিছে। জ্ঞানবিদ্যাই দৰ্শনৰ লক্ষ্যত উপনীত হ'বলৈ জ্ঞান কি, জ্ঞানৰ উৎস, সীমা, সম্ভাৱনা আদিৰ আলোচনা কৰি সেই লক্ষ্যত উপনীত হ'বলৈ দৰ্শনক সহায় কৰিছে। অধিবিদ্যা বা তত্ত্ববিদ্যাই জগত আৰু জীৱনৰ মূল সত্তাৰ অনুসন্ধান কৰি দাৰ্শনিক জ্ঞানক পূৰ্ণতা

প্ৰদান কৰিছে। আকৌ, প্ৰমূল্যবিদ্যাই জগতৰ মূল সত্তা অৰ্থাৎ পৰমসত্তা আৰু পৰমমূল্য যে একে তাৰ বিচাৰ কৰি মূল্যবোধৰ জৰিয়তে দাৰ্শনিক জ্ঞানৰ পূৰ্ণতা প্ৰদানত সহায় কৰিছে।

**দৰ্শন আৰু বিজ্ঞান ঃ** অভিজ্ঞতালব্ধ জগতৰ ব্যাখ্যা দিবলৈ চেষ্টা কৰাৰ ফলস্বৰূপে দৰ্শন আৰু বিজ্ঞানৰ উৎপত্তি। সেয়ে দুয়োৰো লক্ষ্য একে।

জ্ঞান আহৰণৰ পদ্ধতি, আলোচ্য বিষয়ৰ পৰিসৰ আৰু অন্যান্য ক্ষেত্ৰত দৰ্শন আৰু বিজ্ঞানৰ মাজত কিছু পাৰ্থক্য থকা দেখা যায়। যেনে—

(1) বিজ্ঞানৰ তুলনাত দৰ্শনৰ পৰিসৰ ব্যাপক।

(2) বিজ্ঞানে কেৱল অভিজ্ঞতালব্ধ প্ৰতিভাসিক জগতখনৰহে ব্যাখ্যা কৰে; কিন্তু দৰ্শনে বিজ্ঞানে দিয়া প্ৰতিভাসিক জগতৰ জ্ঞানৰ ওপৰত ভিত্তি কৰি ইয়াৰ মূল সত্তাৰ বিষয়েও জ্ঞান দিয়ে।

(3) দৰ্শন আৰু বিজ্ঞানৰ জ্ঞান অন্বেষণৰ পদ্ধতি বেলেগ বেলেগ। বিজ্ঞানৰ পদ্ধতি নিৰীক্ষণ, পৰীক্ষণ অৰ্থাৎ আগমন পদ্ধতি; কিন্তু দৰ্শনৰ পদ্ধতি আগমনাত্মক আৰু নিগমনাত্মক উভয়েই।

(4) বিজ্ঞানৰ অধ্যয়ন বিশ্লেষণাত্মক অধ্যয়ন; কিন্তু দৰ্শনৰ অধ্যয়ন সংশ্লেষণাত্মক।

(5) বিজ্ঞানে জ্ঞান অন্বেষণৰ ক্ষেত্ৰত কিছুমান বিধি বা প্ৰত্যয় স্বতঃসিদ্ধ বুলি স্বীকাৰ কৰি লয়; কিন্তু দৰ্শনে বিচাৰ-বিশ্লেষণ নকৰাকৈ কোনো কথাকে স্বীকাৰ কৰি নলয়।

(6) বিজ্ঞানে কোনো বিষয়ৰ ব্যাখ্যা দিওতে বস্তু বা ঘটনাৰ মূল্যায়ন নকৰে; দৰ্শনে ব্যাখ্যা দিয়াৰ উপৰি মূল্যায়নো কৰে।

(7) বৈজ্ঞানিক জ্ঞান প্ৰামাণিক জ্ঞান বাবে সাৰ্বিক; কিন্তু দাৰ্শনিক জ্ঞান সৰ্বজনগ্ৰাহ্য নহ'বও পাৰে।

যদিও বিজ্ঞান আৰু দৰ্শনৰ মাজত এনে কিছুমান পাৰ্থক্য আছে; তথাপি বিজ্ঞান আৰু দৰ্শনৰ মাজৰ সম্বন্ধটো এক পাৰস্পৰিক সম্বন্ধহে অৰ্থাৎ উভয়ে উভয়ৰ পৰিপূৰক।

**দৰ্শন আৰু জ্ঞানবিদ্যাৰ সম্বন্ধ ঃ** দৰ্শন আৰু জ্ঞানবিদ্যাৰ মাজতো এক ওতঃপ্ৰোত সম্পৰ্ক আছে। দৰ্শনে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ সামগ্ৰিক ব্যাখ্যা দিবলৈ প্ৰথমে জ্ঞান কি, জ্ঞানৰ উৎস, সম্ভাব্যতা আৰু কিমানলৈ জ্ঞান পাব পাৰি তাক জানিবলৈ জ্ঞানবিদ্যাৰ সহায় ল'ব লাগে। জ্ঞানবিদ্যা হ'ল দাৰ্শনিক জ্ঞান অনুসন্ধানৰ প্ৰথম স্তৰ।

অৱশ্যে জ্ঞানবিদ্যাতকৈ দৰ্শনৰ পৰিসৰ অতিব্যাপক; কাৰণ জ্ঞানবিদ্যা দৰ্শনৰ এটা বিভাগহে।

আচলতে দৰ্শন আৰু জ্ঞানবিদ্যাৰ সম্বন্ধ হ'ল অংশ আৰু তাৰ সমগ্ৰতাৰ লগত থকা সম্বন্ধৰ নিচিনা।

**দৰ্শন আৰু অধিবিদ্যা বা তত্ত্ববিদ্যাৰ সম্বন্ধ ঃ** দৰ্শন আৰু অধিবিদ্যা বা তত্ত্ববিদ্যাৰ মাজৰ সম্বন্ধৰ ক্ষেত্ৰত বিভিন্ন দাৰ্শনিকে ভিন্ন মত পোষণ কৰিছে।

ভাববাদী দাৰ্শনিকসকলৰ মতে দৰ্শন আৰু অধিবিদ্যা বা তত্ত্ববিদ্যাৰ মাজত কোনো পাৰ্থক্য নাই। দুয়ো একে।

তৰ্কীয় প্ৰত্যক্ষবাদী দাৰ্শনিকসকলৰ মতে দৰ্শন আৰু অধিবিদ্যা বা তত্ত্ববিদ্যাৰ মাজত কোনো

সম্বন্ধ নাই। তেওঁলোকৰ মতে তত্ববিদ্যাৰ আলোচনা নিৰৰ্থক আৰু অবান্তৰ। কাৰণ তেওঁলোকে অভিজ্ঞতাৰে জ্ঞান লাভ কৰিব নোৱৰা কোনো সত্তাতে বিশ্বাস নকৰে।

বিভিন্ন দাৰ্শনিকে এনে ভিন্ন মত পোষণ কৰিলেও দৰ্শন আৰু তত্ববিদ্যাৰ মাজত থকা ঘনিষ্ঠ সম্বন্ধৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। অৱশ্যে, তত্ববিদ্যাতকৈ দৰ্শনৰ পৰিসৰ ব্যাপক। দৰ্শনৰ পৰিসৰ ব্যাপক হ'লেও পূৰ্ণ দাৰ্শনিক জ্ঞানৰ বাবে তত্ববিদ্যাৰ জ্ঞান অপৰিহাৰ্য। সেয়ে তত্ববিদ্যা দৰ্শনৰ এটা এৰাব নোৱৰা প্ৰধান বিভাগ আৰু দুয়োৰো মাজত ওতঃপ্ৰোত সম্বন্ধ আছে।

**দৰ্শনৰ লগত প্ৰমূল্যবিজ্ঞানৰ সম্বন্ধ ঃ** দৰ্শনৰ লগত প্ৰমূল্যবিজ্ঞানৰো এক ঘনিষ্ঠ সম্বন্ধ আছে। দৰ্শনে জগত আৰু জীৱনৰ সামগ্ৰিক ব্যাখ্যা দিয়াৰ লগতে ইয়াৰ মূল্যায়ন কৰি পূৰ্ণ জ্ঞান দিয়াৰ প্ৰয়াস কৰে। প্ৰমূল্যবিজ্ঞানে যিহেতু মূল্যৰ দিশটোৰ বিষয়ে আলোচনা কৰে, সেয়ে দাৰ্শনিক জ্ঞানৰ পূৰ্ণতাপ্ৰাপ্তিৰ বাবে প্ৰমূল্যবিজ্ঞানৰ সহায় ল'বলগা হয়। গতিকে দুয়োৰে মাজত ঘনিষ্ঠ সম্বন্ধ বিদ্যমান।

ভাববাদী দাৰ্শনিকসকলৰ মতে, দৰ্শনৰ মূল লক্ষ্য পৰমসত্তা আৰু প্ৰমূল্যবিজ্ঞানৰ মূল আদৰ্শ পৰমমূল্যৰ মাজত কোনো পাৰ্থক্য নাই। অৱশ্যে প্ৰমূল্যবিজ্ঞানৰ তুলনাত দৰ্শনৰ পৰিসৰ বেছি ব্যাপক; কাৰণ প্ৰমূল্যবিজ্ঞান দৰ্শনৰ এক বিভাগহে। প্ৰকৃততে প্ৰমূল্যবিজ্ঞান দৰ্শনৰ এটা বিভাগ হিচাপে দুয়োৰো মাজত থকা সম্বন্ধ অংশ আৰু তাৰ সমগ্ৰতাৰ মাজত থকা সম্বন্ধৰ নিচিনা।

## অনুশীলনী

**1.** দৰ্শন কি? দৰ্শনৰ লগত বিজ্ঞানৰ সম্বন্ধ ব্যাখ্যা কৰা।

**2.** বিজ্ঞান কাক বোলে? দৰ্শন আৰু বিজ্ঞানৰ পাৰ্থক্য নিৰ্ণয় কৰা।

**3.** জ্ঞানমীমাংসা বা জ্ঞানবিদ্যা কাক বোলে? জ্ঞানমীমাংসা বা জ্ঞানবিদ্যাৰ লগত দৰ্শনৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰা।

**4.** অধিবিদ্যা বা তত্ববিদ্যা কাক বোলে? দৰ্শন আৰু অধিবিদ্যা বা তত্ববিদ্যাৰ সম্বন্ধ ব্যাখ্যা কৰা।

**5.** প্ৰমূল্যবিজ্ঞান কাক বোলে? দৰ্শনৰ লগত প্ৰমূল্যবিজ্ঞানৰ সম্বন্ধ ব্যাখ্যা কৰা।

**6.** উত্তৰ দিয়া ঃ

(a) ইংৰাজী philosophy শব্দটো দুটা গ্ৰীক শব্দৰ পৰা উদ্ভৱ হৈছে শব্দ দুটা কি কি?

(b) জ্ঞানবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ 'epistemology' দুটা গ্ৰীক শব্দৰ পৰা উদ্ভৱ হৈছে। শব্দ দুটা কি কি?

(c) জন ল'ক (John Locke)ৰ জ্ঞান সম্পৰ্কীয় গ্ৰন্থখনৰ নাম কি?

(d) 'Critique of Pure Reason' নামৰ গ্ৰন্থখনৰ লিখকজনৰ নাম লিখা।

(e) দৰ্শন আৰু বিজ্ঞানৰ সম্বন্ধক কোনে দেহ আৰু আত্মাৰ লগত তুলনা কৰিছে?

(f) অধিবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ কি?

**7.** তলৰ উক্তিবোৰৰ সত্যাসত্য নিৰ্ণয় কৰা ঃ

(a) বিজ্ঞানে সমগ্ৰ বিশ্বজগতৰ সামগ্ৰিক জ্ঞান দিয়ে।

(b) তৰ্কীয় প্ৰত্যক্ষবাদী দাৰ্শনিকসকলে তত্বৱিদ্যাক নিৰৰ্থক আৰু অবান্তৰ চিন্তা বুলি অভিহিত কৰিছে।

(c) গ্ৰীক দাৰ্শনিক প্লেটোৰ মতে দৰ্শন আৰু তত্বৱিদ্যাৰ মাজত কোনো পাৰ্থক্য নাই।

(d) ইমানুৱেল কাণ্ট এজন জাৰ্মান দাৰ্শনিক আছিল।

(e) জন ল'ক এজন ব্ৰিটিছ দাৰ্শনিক আছিল।

(f) বিজ্ঞানে কোনো প্ৰত্যয় বা ধাৰণাকে স্বতঃসিদ্ধ বুলি স্বীকাৰ নকৰে।

**8.** সংজ্ঞা দিয়া ঃ

(i) বিজ্ঞান।

(ii) জ্ঞানমীমাংসা বা জ্ঞানবিদ্যা।

(iii) তত্বৱিদ্যা।

(iv) প্ৰমূল্যবিজ্ঞান।

**9.** চমুটোকা লিখা ঃ

(i) জ্ঞানবিদ্যা।

(ii) প্ৰমূল্যবিজ্ঞান।

(iii) অধিবিদ্যা বা তত্বৱিদ্যা।

* * *